# বিদেশ পৰিক্ৰমা মন্ত্ৰীৰ ঢাকা ভ্ৰমণ (২৫ জুনৰ পৰা ২৭ জুন ,২০১৪ লৈ)

জুন ২১,২০১৪

কেন্দ্ৰীয় বৈদেশিক মন্ত্ৰী শ্ৰী মতী সুষমা স্বৰাজে অহা ২৫ জুন ২০১৪ তাৰিখৰ পৰা ২৭ জুন ২০১৪ তাৰিখলৈ সৌজন্যমুলক ভাৱে ঢ়াকা ভ্ৰমণ কৰিব ।বাংলাদেশৰ বিদেশ পৰিক্ৰমা মন্ত্ৰী মহামান্য শ্ৰী আবুল হাছান মাহমুদ আলিৰ আমন্ত্ৰন ক্ৰমে এই ভ্ৰমণ কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছে ।

কেন্দ্ৰীয় বিদেশ মন্ত্ৰী হিচাপে শ্ৰী মতী স্বৰাজৰ এইটোৱেই প্ৰথমটো বিদেশ ভ্ৰমণ হব আৰু ইয়াৰ দ্বাৰা ভাৰতে এখন নিকটতম বন্ধু দেশ আৰু চুবুৰীয়া দেশ হিচাপে বাংলাদেশৰ সৈতে থকা দ্বিপাক্ষীক সম্বন্ধক কিমান গুৰুত্ব দিয়ে সেইটো প্ৰতিফলিত হৈছে ।

শ্ৰীমতী সুষমা স্বৰাজে তেওঁৰ এই ভ্ৰমণ কালত বাংলাদেশৰ বিদেশ মন্ত্ৰী গৰাকীৰ সৈতে দ্বিপাক্ষীক বিষয়সমুহ আলোচনা কৰিব ।তেওঁৰ ভ্ৰমণ কালত বাংলাদেশৰ ৰাষ্ট্ৰপতি মহামান্য অধীবক্তা শ্ৰী আব্দুল হামিদ আৰু প্ৰধানমন্ত্ৰী মহামান্যা শ্বেখ হাছিনাক সাক্ষাৎ কৰিব ।তেওঁ দেশখনৰ বুদ্ধিজীৱি সকলৰ সৈতে,চেম্বাৰচ অৱ কৰ্মাচ এন্ড ইণ্ডাষ্ট্ৰী আৰু সাংস্কৃতিক সংগঠন সমুহৰে মিলিত হব ।

এই ভ্ৰমণসূচীয়ে ভাৰত আৰু বাংলাদেশৰ মাজৰ নিকটবৰ্তী আৰু বন্ধুত্বৰ সম্বন্ধক আগলৈ এক উল্লেখনীয় পদক্ষেপ আগবঢ়াব ।

নতুন দিল্লী

জুন ২১,২০১৪